সত্যনিষ্ঠ সাংবাদিকতাত উৎসৰ্গিত

গুৱাহাটী, যোৰহাট আৰু লখিমপুৰৰ পৰা প্ৰকাশিত

# আমাৰ অসম

গুৱাহাটী □ সোমবাৰ □ ৫ আঘোণ ১৯৩২ শক □ ২২ নৱেম্বৰ ২০১০ □ চতুৰ্দশ বছৰ □ সংখ্যা ২১২ □ মূল্য ঃ ৪·০০ টকা ★

## ভাৰতীয় সম্প্ৰচাৰ ইতিহাসত নতুন অধ্যায়ৰ সূচনা

# উত্তৰ-পূৱ ভাৰতৰ প্ৰথম কমিউনিটী ৰেডিঅ' সেৱা উদ্বোধন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ২১ নৱেম্বৰ ঃ** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে দিছপুৰৰ নেড়ফি কনভেনশ্বন চেন্টাৰত আয়োজন কৰা এক বৰ্ণাঢ্য অনুষ্ঠানত উত্তৰ-পূব ভাৰতৰ প্ৰথম আৰু একমাত্ৰ কমিউনিটী ৰেডিঅ' সেৱা শনিবাৰে আনুষ্ঠানিকভাৱে মুকলি কৰে মুখ্য মন্ত্ৰী তৰুণ গগৈয়ে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক শ্ৰীনাথ বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত উদ্বোধনী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক অখিল মেধি আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ভাৰত চৰকাৰৰ দূৰৱৰ্তী শিক্ষা পৰিষদৰ সঞ্চালক ড° আৰ আৰ ৰ'ছৰিয়া আৰু প্ৰসাৰ ভাৰতীৰ প্ৰাক্তন উপ-সঞ্চালকপ্ৰধান ৰণেন্দ্ৰনাথ চক্ৰৱৰ্তী। কেন্দ্ৰীয় তথ্য আৰু প্ৰযুক্তি মন্ত্ৰী অম্বিকা ছোনি আৰু একে মন্ত্ৰণালয়ৰ ৰাজ্যিক মন্ত্ৰী চৌধুৰীমোহন জাটোৱাই বিশ্ববিদ্যালয়খনৰ এই পদক্ষেপৰ শলাগ লৈছে আৰু সংসদৰ অধিৱেশন চলি থকাৰ কাৰণে অনুষ্ঠানটোত ভাগ ল'ব নোৱৰাত দুখ প্ৰকাশ কৰিছে। ভাৰতীয় সম্প্ৰচাৰ ইতিহাসৰ এই বিশেষ ক্ষণত উপস্থিত থাকি অসমৰ মুখ্য মন্ত্ৰীয়ে কমিউনিটী ৰেডিঅ' সেৱাৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোকপাত কৰে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই পদক্ষেপৰ শলাগ লৈ মুখ্য মন্ত্ৰী গগৈয়ে এই অনাতাঁৰ কেন্দ্ৰৰ জৰিয়তে দূৰৱৰ্তী মাধ্যমৰ শিক্ষাৰ্থীসকলৰ লগতে সামাজিক উন্নয়নৰ ক্ষেত্ৰত এক বিশেষ মাধ্যম হিচাপে জনসাধাৰণলৈ সেৱা আগবঢ়াব পাৰিব বুলি আশা প্ৰকাশ কৰে। ভাৰত চৰকাৰৰ দূৰৱৰ্তী শিক্ষা পৰিষদৰ সঞ্চালক ড° ৰ'ছৰিয়াই দূৰৱৰ্তী শিক্ষাৰ ক্ষেত্ৰত অনাতাঁৰ মাধ্যমৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ জনপ্ৰিয়তাৰ বিষয়ে উল্লেখ কৰে। সভাত আদৰণী ভাষণ আগবঢ়াই বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক বৰুৱাই উত্তৰ-পূব ভাৰতৰ ভিতৰত প্ৰথম এই অনাতাঁৰ কেন্দ্ৰটো কি উদ্দেশ্যে আৰম্ভ কৰা হৈছে, তাৰ চমু আভাস আগবঢ়ায়। প্ৰণিধানযোগ্য যে 'জ্ঞান তৰংগ' নামৰ এই অনাতাঁৰ কেন্দ্ৰটোৰ অনুষ্ঠান নিতৌ বিয়লি ৫ বজাৰ পৰা ৭ বজালৈ পোনপটীয়া সম্প্ৰচাৰ আৰু পুৱা ৬ বজাৰ পৰা ৮ বজালৈ আৰু দুপৰীয়া ১২ বজাৰ পৰা ২ বজালৈ পুনৰ সম্প্ৰচাৰ আগবঢ়াব। উল্লেখ্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অসম চৰকাৰৰ দ্বাৰা প্ৰতিষ্ঠাপিত উত্তৰ-পূব ভাৰতৰ একমাত্ৰ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়। ২০০৮ চনৰ পৰা বিদ্যায়তনিক কাৰ্যসূচী আৰম্ভ কৰা এই বিশ্ববিদ্যালয়ে এই অঞ্চলৰ বিপুলসংখ্যক শিক্ষাৰ্থীৰ পৰা যি সঁহাৰি লাভ কৰিছে, সেয়া সঁচাই উদগনিমূলক। সেয়েহে এই বিশ্ববিদ্যালয়ে ইয়াৰ সামাজিক দায়বদ্ধতাৰ কথা সুঁৱৰি বিভিন্ন কাৰ্যসূচী হাতত লৈছে। উদাহৰণস্বৰূপে, কাৰাবাসীৰ বাবে বিনামূলীয়া শিক্ষা, নিৰনুৱাসকলৰ বাবে বৃত্তিমুখী বিনামূলীয়া প্ৰশিক্ষণ ইত্যাদি। এনেধৰণৰ বিভিন্ন সামাজিক কাম-কাজৰ উদ্দেশ্যে এই বিশ্ববিদ্যালয়ে 'জ্ঞান তৰংগ' নামৰ এটা কমিউনিটী ৰেডিঅ' কেন্দ্ৰ (৯০.৪ মেগা হাৰ্টজ) স্থাপন কৰিছে। প্ৰকৃততে ২০০৯ চনৰ জানুৱাৰীতে বিশ্ববিদ্যালয়ে এই অনাতাঁৰ সেৱাৰ পৰীক্ষণমূলক সম্প্ৰচাৰ ইতিমধ্যে সফলতাৰে সম্পন্ন কৰিছে। বৰ্তমান নিয়মীয়া সম্প্ৰচাৰৰ বাবে কেন্দ্ৰটোৰ সকলো কাম-কাজ সম্পূৰ্ণ হৈছে। এখন ঠাইৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু উন্নয়নমূলক কামত সহায় কৰা আৰু উদগনি যোগোৱাটোৱেই এই ৰেডিঅ' কেন্দ্ৰটো প্ৰতিষ্ঠা কৰাৰ মূল লক্ষ্য। কোনোধৰণৰ বাণিজ্যিক মনোবৃত্তি আগত ৰাখি বিশ্ববিদ্যালয়ে এই কেন্দ্ৰটো প্ৰতিষ্ঠা কৰা হোৱা নাই। কেৱল শিক্ষামূলক প্ৰচাৰ আৰু সামাজিক উন্নয়নৰ উদ্দেশ্যে বিশ্ববিদ্যালয়খনে বহু যত্নৰে এই কেন্দ্ৰটো প্ৰতিষ্ঠা কৰিছে। শিক্ষা, জ্ঞান, তথ্য আদি সম্প্ৰচাৰৰ জৰিয়তে যাতে আমাৰ সমাজৰ উন্নতি হ'ব পাৰে, তাৰ বাবে এই কেন্দ্ৰটোৱে প্ৰচেষ্টা চলাই যাব।